Daily Assam.Com

পাঠ ৫

# গুৰুদক্ষিণা

আগৰ দিনত শিক্ষা সাং হ'লে শিষ্যই গুৰুক দক্ষিণা দি কৃতজ্ঞতা প্ৰকাশ কৰাৰ এক ৰীতি আছিল। পূৰ্বতে, গুৰুৱে শিষ্যক বিনামূলীয়াকৈ শিক্ষাদান কৰিছিল। শিষ্যৰ প্ৰকৃত জ্ঞান লাভ আৰু সৰ্বাংগীন ব্যক্তিত্বৰ বিকাশেই আছিল গুৰুৰ প্ৰধান উদ্দেশ্য। গুৰুৱে কামনা কৰিছিল, শিষ্যসকল প্ৰকৃত মানৱীয় গুণৰ অধিকাৰী হওক আৰু সত্য-অন্বেষণৰ মাজেৰে তেওঁলোকে জীৱনবৃত্ত পাৰ কৰক। এইক্ষেত্ৰত গুৰুদক্ষিণা নিমিত্ত মাত্ৰ। 'গুৰুদক্ষিণা' পাঠটিৰ জৰিয়তে নীতি-নৈতিকতাবিহীন গুৰুদক্ষিণা লাভ কৰাৰ বিপৰীতে সত্যাশ্ৰয়ী মূল্যবোধৰ বিকাশ সম্পৰ্কে জানিব পাৰিবা।

আজিকালিৰ গুৱাহাটী বিশ্ববিদ্যালয়, কলিকতা বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আদিৰ নিচিনা বা তাতকৈ ডাঙৰ বিশ্ববিদ্যালয় পুৰণি ভাৰতবৰ্ষতো আছিল। নালন্দা, তক্ষশীলা, ওদান্তপুৰী, ধান্যকটক আদি ভাৰতবৰ্ষৰ প্ৰাচীন নামজ্বলা বিশ্ববিদ্যালয়ত পৃথিৱীৰ নানা দেশৰ পৰা আহি হাজাৰ হাজাৰ ছাত্ৰে অধ্যয়ন কৰিছিল। আমাৰ পুৰণি কামৰূপ ৰাজ্যতো নিশ্চয় কেইবাখনো বিশ্ববিদ্যালয় আছিল। আমি সেইবোৰৰ নামৰ বাহিৰে এতিয়াও সবিশেষ বিৱৰণ জানিব পৰা নাই।



বৰ্তমান নগাঁও জিলাৰ শিলঘাট অঞ্চলত লুইতৰ দাঁতিত এনেকুৱা এখন বিশ্ববিদ্যালয় আছিল। সেই বিশ্ববিদ্যালয়ৰ অধীনত বৰগঙ্গাৰ পাৰৰ বশিষ্ঠ আশ্ৰমত এখন ডাঙৰ টোল আছিল। সেই টোলৰ অধ্যাপকজনৰ নাম আছিল বেদকণ্ঠ। বেদকণ্ঠ বিদগ্ধ পণ্ডিত। ব্যাকৰণ, স্মৃতি, ন্যায়, দৰ্শন আদি সকলো

শাস্ত্ৰৰ কথা তেওঁৰ জিভাৰ আগতেই। বেদকণ্ঠৰ চতুষ্পাঠীত দুকুৰিজনমান ছাতৰ আছিল। তেওঁবিলাকে নিজৰ ধন নভঙাকৈ গুৰুগৃহত থাকি নানা শাস্ত্ৰ চৰ্চা কৰিছিল।

পুৰণি ৰীতিমতে ছাতৰসকলে আজিকালিৰ দৰে বিশ্ববিদ্যালয়ত কোনো মাচুল দিব নালাগিছিল। তেওঁলোকে বছৰি একোবাৰ নগৰলৈ বা ধনী মানুহৰ ওচৰলৈ গৈ খুজি-মাগি যি পাইছিল, তাকে গোটাই আনি গুৰুৰ চৰণত অতি সন্তৰ্পণে গুৰুদক্ষিণা হিচাপে নিবেদন কৰিছিল। ৰামচন্দ্ৰই কেৰ্কেটুৱাৰ বাঁহপাতেই ভেটী লোৱাৰ নিচিনাকৈ গুৰুৱেও হৃষ্টচিত্তে তাকে লৈ ছাতৰসকলক জাউৰিয়ে জাউৰিয়ে আশীৰ্বাদ দিছিল। আজিও সেই ৰীতিকে অনুসৰণ কৰি কামৰূপৰ টোলত পঢ়া ছাতৰসকলে 'চৈত-ফুৰি' বছৰেকত একোবাৰ গুৰুৰ দক্ষিণা গোটায়।

এদিন বেদকণ্ঠই ছাতৰসকলক ওচৰলৈ মাতি আনি মৰমৰ মাতেৰে ক'লে— "বাছাহঁত! মই বুঢ়া হৈ আহিছোঁ। উপাৰ্জনো টুটি আহিছে। তহঁতক ইমানদিনে পঢ়াই শুনাই খুঁটি খাব পৰা কৰিবলৈ সদায় যত্ন কৰিছোঁ। এতিয়া তহঁতে তাৰ সলনি মোক ধন-সোণ গোটাই আনি দেহঁক। জানই নহয় ভগৱন্ত শ্ৰীকৃষ্ণৱো সান্দীপনি মুনিক কেনেদৰে গুৰুদক্ষিণা দিছিল।" গুৰুৰ মুখত এনে কথা শুনি ছাতৰবিলাকে বৰ আনন্দ পালে। শিষ্যই গুৰুক দক্ষিণা দি সন্তোষ লগাব পৰাটো কিমান সৌভাগ্যৰ কথা!

এজন বয়সিয়াল ছাতৰে ক'লে— "গুৰুদেউ! আপুনি মাথোন আমাক কৰ্তব্যহে সোঁৱৰাই দিছে। এতিয়া আমি কি উপায়েৰে ধন-সোণ গোটাই আনিম, অনুগ্ৰহ কৰি আমাক দিহা লগাই দিয়ক। আমি আপোনাৰ আদেশ আখৰে আখৰে পালন কৰিম।"

গুৰুৱে ক'লে— "বাছা! তোৰ কথা শুনি মই বৰ ৰং পালোঁ। খুজি-মাগি বেছি ধন গোটোৱাটো উজু নহয়। এতেকে ধনী মানুহৰ পৰা ডকা-হকা দি ধনৰ টোপোলা সৰকাবলৈ চেষ্টা কৰিবি। কোনেও নেদেখাকৈ প্ৰত্যেকজনে গছৰ আঁৰত লুকাই থাকিবি আৰু কাষেদি কোনো ধনী সাউদ গ'লে ততালিকে তেওঁৰ পৰা যি ধন পাৱ কাঢ়ি ল'বি। চাবি, যাতে কোনেও নেদেখে আৰু সাউদৰো একো অনিষ্ট নহয়।"

গুৰুৰ এই কথা শুনি ছাতৰবিলাক কিৰীলি পাৰি যাবলৈ ওলাল। গুৰুৰ দক্ষিণা দিবলৈ এনে সহজে সোণালী ছেগ সতকাই নিমিলে। ল'ৰাহতঁৰ আনন্দ চায় কোনে?

আটাইকেইজন ছাতৰে গন্তব্য ঠাইলৈ খোজ ল'লে; কিন্তু তাৰে ভিতৰৰ এটি কোমল বয়সীয়া ছাতৰ হ'লে তাতেই মন মাৰি থিয় দি ৰ'ল। তাক তেনেভাৱে আমন-জিমন কৰি ৰোৱা দেখি বেদকণ্ঠই সুধিলে— "বাছা! তই নগ'লি দেখোন? আন সকলোবিলাক গৈ কোনোবাখিনি পালে।"

সেই ল'ৰাটিৰ নাম সত্যব্ৰত। সত্যব্ৰতে থোকা-থুকি মাতেৰে ক'লে— "গুৰুদেউ! দয়া কৰি অনুমতি দিলে এটা কথা সুধিব খোজোঁ। মোৰ মনত অলপ খোকোজা লাগিছে।"

গুৰুৱে আনন্দ মনেৰে অনুমতি দিয়াত সত্যব্ৰতে ক'লে— "আপোনাৰ পৰাই আমি জানিব পাৰিছোঁ

গুৰুদেৱ, পৃথিৱীত এনে ঠাই নাই, য'ত ঈশ্বৰ নাই। আমি এনে একো কাম কৰিব নোৱাৰোঁ, যি কাম ঈশ্বৰে দেখা নোপোৱাকৈ থাকে। ঈশ্বৰৰ বিষয়ে পুথিতো পঢ়িছোঁ।

সকলোতে থাকে তেওঁ প্ৰভু ভগৱান,
সকলোকে দেখে তেওঁ সৰ্বশক্তিমান।
সকলোকে জানে তেওঁ জ্ঞানৰ আকৰ,
সত্য তেওঁ, শিৱ তেওঁ, পৰম সুন্দৰ।

সেই কাৰণেই গুৰুদেৱ! মই কি শক্তিৰে কোনেও নেদেখা ঠাই বিচাৰি উলিয়াম? আনে নেদেখিলেও ঈশ্বৰে নিশ্চয় দেখিব! লোকৰ ধন-সোণ চুৰ কৰি ডকা-হকা দি আনিলে সেইকথা আনে নেজানিলেও ঈশ্বৰে জানিব। তেওঁ মোৰ অন্তৰতে বহি, মই কৰা সকলো ভাল-বেয়া কাম চাই আছে। মানুহক ঠগিব পাৰিলেও ঈশ্বৰৰ চকুত কেনেকৈ ধূলি দিম? মই এনে অসৎ উপায়েৰে গুৰুদক্ষিণা গোটাব নোৱাৰোঁ। মোক আন সজ বাট দেখুৱাই দিয়ক গুৰুদেউ!"



বেদকণ্ঠই তেওঁৰ ভেঁটগুটীয়া শিষ্যৰ মুখত এনে জ্ঞানগৰ্ভ বাণী শুনি বৰ আনন্দিত হ'ল। তেওঁ সত্যব্ৰতক ধইন ধইন দি আন ছাত্ৰবিলাকক ওলোটাই মাতি আনিবলৈ আদেশ দিলে। প্ৰকৃততে তেওঁ গুৰুদক্ষিণা বিচৰা নাছিল। ইমানদিনে ছাত্ৰবিলাকক যি শিক্ষা দিছিল, তাৰ মহলা লৈছিল মাথোন। সেই মহলাত একমাত্ৰ সত্যব্ৰতৰ বাহিৰে আন কোনো ছাত্ৰ উত্তীৰ্ণ হ'ব নোৱাৰিলে। গুৰুৱে শিকোৱা জ্ঞান ভালদৰে আয়ত্ত কৰিব পাৰি সত্যব্ৰতেহে প্ৰকৃত গুৰুদক্ষিণা দিব পাৰিলে।

*(উৎস ঃ 'ল'ৰাৰ জাতক', সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা শিশু-সাহিত্য সম্ভাৰ, পৃষ্ঠা ঃ ২১৮৫-৮৬, তৃতীয় খণ্ড, প্ৰথম প্ৰকাশ ঃ ২০০৭, সম্পাদনা - সূৰ্য হাজৰিকা)*

*(বৌদ্ধধৰ্মৰ 'জাতকমালা'ৰ একৈশটা সাধুৰ অসমীয়াকৰণেৰে ৰচনা কৰা 'ল'ৰাৰ জাতক' অতুলচন্দ্ৰ হাজৰিকাৰ উল্লেখনীয় পুথি। 'জাতকৰ সাধু' পৃথিৱীজুৰি জনপ্ৰিয় আৰু ই বহু ভাষালৈ অনুবাদিত হৈছে। ১৯৭৩ চনত প্ৰকাশিত 'ল'ৰাৰ জাতক'ৰ, সাধুবোৰ যদিও 'জাতক'ৰ, তথাপি এইবোৰ সম্পূৰ্ণ অসমীয়াকৰণেৰে শিশুৰ মনোপযোগী কৰিবলৈ ঘটনা একে ৰাখি নাম-কাল-স্থান আদি সলাই দিছে।)*

☛ *পাঠটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে দফা-দফাকৈ পঢ়িবলৈ দিব। ছাত্ৰ-ছাত্ৰীৰ পঠন অৰ্হতা বিকাশ হোৱালৈ লক্ষ্য ৰাখিব।*

## ক্রিয়া-কলাপ

### ক — পাঠভিত্তিক ক্রিয়া

১) পাঠৰ কাহিনীভাগ নিজৰ কথাৰে কোৱা।

২) ছবিখনত কাহিনীটোৰ কোনটো অংশ প্ৰকাশ পাইছে বহলাই কোৱা।



৩) শব্দৰ অৰ্থ শিকি লোৱা।

নামজ্বলা — প্ৰখ্যাত; ভাল নাম থকা।

চতুষ্পাঠী — বেদ বিদ্যালয়; টোল (টোলত ব্যাকৰণ, কাব্য, স্মৃতি আৰু দৰ্শন- এই চাৰিটা বিষয় পঢ়ুওৱা হয়)।

হৃষ্টচিত্তে — ৰঙেৰে; আনন্দৰে।

চৈত-ফুৰি — চ'ত মাহত ফুৰি সংগ্ৰহ কৰা ধন।(কামৰূপত চ'তক 'চৈত' মাহ বোলে)

সাউদ — মুদৈ; বেপাৰী; সদাগৰ।

মহলা — বিদ্যালয়ৰ শ্ৰেণী; পৰীক্ষা।

ছেগ — সময়ৰ ভাগ; কোনো কাম কৰিবৰ প্ৰকৃত সময়; ছল।

খোকোজা — কথা কওঁতে বা পঢ়োঁতে সহজে মুখেৰে কথা নোলোৱা।

আকৰ — কোনো বস্তু উৎপন্ন হোৱা ঠাই; খনি।

ভেঁটগুটীয়া — ভেঁট ফুলৰ গুটিৰ নিচিনা সৰু।

৪) **উত্তৰ দিয়া।**

(ক) ভাৰতৰ প্ৰাচীন বিশ্ববিদ্যালয় দুখনৰ নাম লিখা।

(খ) লুইতৰ দাঁতিৰ কোন ঠাইত এখন বিশ্ববিদ্যালয় আছিল?

(গ) বশিষ্ঠ আশ্ৰমৰ টোলৰ অধ্যাপকজনৰ নাম কি?

(ঘ) ছাত্ৰসকলে বছৰত একোবাৰ নগৰলৈ কিয় যাব লগা হৈছিল?

(ঙ) গুৰুৰ পৰামৰ্শ কোনজন ছাত্ৰে গ্ৰহণ কৰিব নোৱাৰিলে?

(চ) প্ৰকৃত গুৰুদক্ষিণা কোনে দিব পাৰিলে?

৫) **চমু উত্তৰ দিয়া।**

(ক) গুৰুৱে ছাত্ৰসকলক ওচৰলৈ মাতি আনি কি কৈছিল?

(খ) ছাত্ৰসকলক গুৰুৱে কি উপায়েৰে ধন গোটাই অনাৰ পৰামৰ্শ দিছিল?

(গ) গুৰুৰ পৰামৰ্শ পাই ছাত্ৰসকলে কি কৰিলে?

(ঘ) গুৰুৰ অনুমতি পাই সত্যব্ৰতে কি ক'লে?

৬) **কোনে কাক কেতিয়া কৈছিল লিখা।**

(ক) "বাছাহঁত! মই বুঢ়া হৈ আহিছোঁ। উপাৰ্জনো টুটি আহিছে। তহঁতক ইমানদিনে পঢ়াই শুনাই খুঁটি খাব পৰা কৰিবলৈ সদায় যত্ন কৰিছোঁ।"

(খ) "আপুনি মাথোন আমাক কৰ্তব্যহে সোঁৱৰাই দিছে। এতিয়া আমি কি উপায়েৰে ধন-সোণ গোটাই আনিম, অনুগ্ৰহ কৰি আমাক দিহা লগাই দিয়ক।"

(গ) "আপোনাৰ পৰাই আমি জানিব পাৰিছোঁ, পৃথিৱীত এনে ঠাই নাই, য'ত ঈশ্বৰ নাই।"

৭) **সাধুটো নিজৰ কথাৰে চমুকৈ লিখা।**

৮) **তলৰ কথাখিনিৰ মূলভাৱ লিখা।**

"সকলোতে থাকে তেওঁ প্ৰভু ভগৱান,
সকলোকে দেখে তেওঁ সৰ্বশক্তিমান।
সকলোকে জানে তেওঁ জ্ঞানৰ আকৰ,
সত্য তেওঁ, শিৱ তেওঁ, পৰম সুন্দৰ।"


☞ *কথাখিনি ছাত্ৰ-ছাত্ৰীক বুজাই দিব।*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৯) পাঠৰ পৰা যুৰীয়া শব্দবোৰ বিচাৰি উলিয়াই লিখা।**

যেনে— খুজি-মাগি

**১০) তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা।**



ধনী —

দক্ষিণা —

উজু —

টুটি যোৱা —

ডাঙৰ —

**১১) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

আনন্দ ধনী গুৰু উজু প্ৰাচীন

জানো আহা

"বেদকণ্ঠ বিদগ্ধ পণ্ডিত। ব্যাকৰণ, স্মৃতি, ন্যায়, দৰ্শন আদি সকলো শাস্ত্ৰৰ কথা তেওঁৰ জিভাৰ আগতেই। বেদকণ্ঠৰ চতুষ্পাঠীত দুকুৰিজনমান ছাত্ৰৰ আছিল।"

ওপৰৰ কথাখিনিৰ তলত আঁচ টনা পদকেইটালৈ মন কৰা।

বেদকণ্ঠ ঃ এই পদে নাম বুজাইছে। সেইবাবে ই **বিশেষ্য পদ**। ব্যক্তি, স্থান, গুণ, সময় আদিৰ নাম বুজোৱা পদেই **বিশেষ্য পদ**।

বিদগ্ধ ঃ 'বিদগ্ধ' পদে 'পণ্ডিত' পদৰ বিশেষ গুণ বুজাইছে। আন পদৰ গুণ, দোষ, সংখ্যা বা পৰিমাণ, অৱস্থা, আধিক্য, উচ্চতা আদি বুজোৱা পদকে **বিশেষণ পদ** বোলে।

তেওঁৰ ঃ এই পদক 'বেদকণ্ঠ'ৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা হৈছে। বিশেষ্য পদৰ বিকল্প ৰূপে ব্যৱহৃত পদক **সৰ্বনাম পদ** বোলে।

আছিল ঃ এই পদে কৰ্তাৰ কাৰ্য সম্পন্ন হোৱা বুজাইছে। কৰ্তাৰ কাৰ্য বা উদ্দেশ্য সম্পূৰ্ণ বা অসম্পূৰ্ণভাৱে (অসমাপিকা আৰু নঞৰ্থকৰ ক্ষেত্ৰত) সম্পন্ন কৰা পদক **ক্ৰিয়া পদ** বোলা হয়।

আদি ঃ এনে পদ কেতিয়াও বিভক্তিযুক্ত নহয় আৰু সদায় একে ৰূপতে থাকে। বাক্যত কেতিয়াও ৰূপ সলনি নোহোৱা পদকে **অব্যয় পদ** বোলে।

১২) উপযুক্ত বিশেষণ পদেৰে তালিকাখন পূৰ কৰা।

উদাহৰণ—

| বিশেষণ | বিশেষ্য |
|---|---|
| প্ৰখ্যাত | বিশ্ববিদ্যালয় |
| | পণ্ডিত |
| | মানুহ |
| | হাতী |
| | গ্ৰন্থ |
| | মহিলা |
| | আম |
| | মাত |

## গ — জ্ঞান সম্প্ৰসাৰণ

১৩) 'গুৰুদক্ষিণা' পাঠত থকা 'ভেঁটগুটীয়া' শব্দটোৱে সৰু ল'ৰাক বুজাইছে। এই ভেঁটগুটীয়া শব্দটোৰ আধাৰত দলগতভাৱে এটি গল্প লিখা।

১৪) 'গুৰুদক্ষিণা' কাহিনীটোৰ কথাখিনি সংলাপ আকাৰে লিখা আৰু শ্ৰেণীকোঠাত অভিনয় কৰা। (সকলোৱে নাটকত ভাগ ল'বা। অভিনয় নকৰাসকলে নাটকৰ বাবে প্ৰয়োজনীয় কাম-কাজ কৰিবা।)

১৫) চাৰি/পাঁচজনীয়া দলত ভাগ হৈ এই বছৰৰ ৫ছেপ্তেম্বৰ দিনটো তোমালোকে কেনেদৰে পালন কৰিবা, তাৰ আঁচনি প্ৰস্তুত কৰা।

১৬) 'গুৰুদক্ষিণা' কাহিনীটোৰ পৰা আমাৰ পুৰণি শিক্ষাব্যৱস্থাৰ বিষয়ে পাঁচটা বাক্য লিখা।

১৭ ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিষয়ে শিক্ষকক সুধি জানি লোৱা।

☞ *সংলাপ লিখাত সহায় কৰিব*

## জানো আহা

পালিভাষাত লিখা বৌদ্ধধৰ্মৰ জাতকমালাই হৈছে 'জাতকৰ সাধু'ৰ মূল। জাতক শব্দৰ অৰ্থই জন্ম সম্পৰ্কীয় বিষয়ক বুজায়। 'জাতকমালা'ত ভগৱান বুদ্ধৰ ৫৪৭ টা জন্মৰ কথা উল্লেখ আছে। ইয়াৰ লিখক হিচাপে আচাৰ্য বুদ্ধঘোষকেই ভবা হয় যদিও ইয়াৰ লিখক আচলতে এজন নহয়। বেলেগ বেলেগ সময়ত ভিন ভিন লিখকে এইবোৰ ৰচনা কৰিছিল।


জাতকবোৰ ঘাইকৈ নীতিকথামূলক। এই সাধুবোৰৰ পৰা পুৰণি ভাৰতবৰ্ষৰ বিষয়ে বহু কথা জানিব পাৰি।

**১৮) ছবি দুখন চাই কি দেখিছা কোৱা।**






**১৯) ছবিখনত থকা শব্দৰে নালন্দা বিশ্ববিদ্যালয়ৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।**




### ঘ — প্ৰকল্প

- **ল'ৰাৰ জাতক, পঞ্চতন্ত্ৰ নাইবা বাতৰি কাকতৰ শিশু-শিতানত প্ৰকাশ পোৱা সাধু সংগ্ৰহ কৰি পঢ়া। তাৰে দুটা সাধুৰ নাম, লেখকৰ নাম আৰু সাধু দুটা চমুকৈ লিখা।**